
# বছৰ বাগৰিল...

দেৱ প্ৰসাদ মিশ্ৰ ঃ কুৰি শতিকাৰ পঞ্চম দশকৰ ১৬ আগষ্টৰ দিনটোতেই বজালীৰ প্ৰাণকেন্দ্ৰ পাঠশালাত বজালী মহাবিদ্যালয় (১৯৫৫ চন) স্থাপিত হৈছিল। প্ৰথম অৱস্থাত মাত্ৰ ৪৫ জন ছাত্ৰ-ছাত্ৰীৰে কলা শাখাৰ মহাবিদ্যালয় হিচাপে আৰম্ভ হোৱা এই মহাবিদ্যালয়ত কম দিনৰ ভিতৰতে বিজ্ঞান শাখাও আৰম্ভ হৈছিল। যি সময়ত অসমৰ বহু জিলা বা মহকুমা সদৰতো কলেজ স্থাপন হোৱা নাছিল, সেই সময়ত ২ পৃষ্ঠাত



# বছৰ বাগৰিল...

বজালীৰ দৰে এক কৃষি প্ৰধান অঞ্চলত এখন মহাবিদ্যালয় স্থাপন হোৱাটো আছিল এক যুগান্তকাৰী সিদ্ধান্ত। সম্ভৱতঃ বিজ্ঞান শাখাৰ কলেজ হিচাপে গ্ৰামাঞ্চলত এইখনেই আমাৰ ৰাজ্যখনৰ ভিতৰতে প্ৰথম হ'ব।এইখন মহাবিদ্যালয় বৰ্তমান বিশ্ববিদ্যালয়লৈ উন্নীত হৈছে। বৰ্তমান ইয়াত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তিনি হাজাৰতো অধিক। এইখন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল বজালীৰ সু-সন্তান, কলকাতা বিশ্ববিদ্যালয়ৰ পৰা সোণৰ পদক লাভ কৰি গণিত শাস্ত্ৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰা, অসম লোকসেৱা আয়োগৰ প্ৰথমগৰাকী অসমীয়া অধ্যক্ষ কামেশ্বৰ দাস। দাস ডাঙৰীয়াৰ সবল আৰু গতিশীল নেতৃত্বতে কলেজখনে আৰম্ভণিৰ পৰাই এক নিৰ্দিষ্ট গতি লাভ কৰিছিল। ১৯৬১ চনত দাসে কলেজ এৰি গুচি যোৱাত আন এগৰাকী বজালীৰ সু-সন্তান সেই সময়ৰ অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ত ৰসায়ন বিভাগৰ অধ্যাপক হিচাপে কৰ্মৰত ৰাজেন্দ্ৰ নাথ শৰ্মাই ১৯৬২ চনত অধ্যক্ষৰ পদবীত যোগদান কৰি সুদীৰ্ঘ ২৯ বছৰ কাল অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰে। তেখেতৰ দীঘলীয়া কাৰ্যকালতেই কলা আৰু বিজ্ঞানৰ সকলো বিষয়তে অনাৰ্ছ পাঠ্যক্ৰম আৰম্ভ কৰাৰ উপৰিও ভূগোল বিজ্ঞান আৰু প্ৰাণীবিজ্ঞান বিভাগত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰা হৈছিল। কুৰি শতিকাৰ আশীৰ দশকত আৰম্ভ কৰা স্নাতকোত্তৰ পাঠ্যক্ৰম আজিও সুকলমে চলি আছে। পৰৱৰ্তী সময়ত ২০০৭ চনত তদানীন্তন অধ্যক্ষ ড° দেবেন্দ্ৰ নাথ শৰ্মাৰ দিনত অসমীয়া বিভাগত আৰু ২০১৭ চনত সেই সময়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ মহন্তৰ দিনত গণিত শাস্ত্ৰ বিভাগত স্নাতকোত্তৰ শ্ৰেণী খোলা হয়; আৰু ড° মহন্তৰ দিনতেই কলেজখন বিশ্ববিদ্যালয়লৈ উন্নীত হয়। বিশ্ববিদ্যালয়লৈ উন্নীত হোৱাৰ পাছত ২০১৯ চনত উপাচাৰ্য ড° বিৰিঞ্চি কুমাৰ দাসদেৱৰ নেতৃত্বত পদাৰ্থবিজ্ঞান বিভাগত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰা হয়।

অসম চৰকাৰে ২০১৭ চনত অসমৰ তিনিখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয় বিশ্ববিদ্যালয়লৈ উন্নীত কৰে। বজালী মহাবিদ্যালয়ক কথা সাহিত্যৰ জনক শ্ৰীশ্ৰী ভট্টদেৱৰ নামত ভট্টদেৱ বিশ্ববিদ্যালয়লৈ, হোজাই মহাবিদ্যালয়ক ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়লৈ আৰু নাৰায়ণপুৰৰ মাধৱদেৱ মহাবিদ্যালয়ক মাধৱদেৱ বিশ্ববিদ্যালয়লৈ

উন্নীত কৰে। ভট্টদেৱ বিশ্ববিদ্যালয়ে ২০১৭ চনৰ ১৬ অক্টোবৰত মহামান্য ৰাজ্যপাল মহোদয়ৰ অনুমোদন লাভ কৰে। ২০১৯ চনৰ ২৪ জুন তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপক, বিশিষ্ট গৱেষক ড° বিৰিঞ্চি কুমাৰ দাসে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ প্ৰথমগৰাকী উপাচাৰ্য হিচাপে যোগদান কৰে। তাৰ পাছদিনা অৰ্থাৎ ২৫ জুন তাৰিখে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ পৰিয়াল আৰু অঞ্চলটোৰ বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ উদ্যোগত বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এখন সভাত নৱনিযুক্ত উপাচাৰ্য ড° দাসক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। বজালী মহাবিদ্যালয়ৰ অন্তিমখন পৰিচালনা সমিতিৰ সভাপতি, প্ৰাক্তন অধ্যক্ষ সম্পূৰ্ণানন্দ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সম্বৰ্দ্ধনা সভাত নতুন উপাচাৰ্যগৰাকীৰ সবল নেতৃত্বত বিশ্ববিদ্যালয়খনে গতিশীলতা লাভ কৰিব বুলি সকলোৱে আশা প্ৰকাশ কৰে। সম্বৰ্দ্ধনাৰ উত্তৰত উপাচাৰ্যগৰাকীয়ে ভট্টদেৱ বিশ্ববিদ্যালয় আইন, ২০১৭ চনৰ বিশেষ উল্লেখেৰে বিশ্ববিদ্যালয়খনক সকলো দিশতে আগবঢ়াই নি উত্তৰ পূৰ্বাঞ্চল তথা দেশৰ ভিতৰতে এখন উন্নত মানৰ বিশ্ববিদ্যালয় হিচাপে গঢ়ি তোলা হ'ব বুলি মন্তব্য আগবঢ়ায়। ইতিমধ্যে ভট্টদেৱ বিশ্ববিদ্যালয়ে এবছৰ পূৰ্ণ কৰিলে। বয়সৰ জোখেৰে এবছৰ সফলতা-বিফলতা জোখাৰ বাবে একেবাৰে কম। তথাপি বিশ্ববিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীৰ নাম পঞ্জীয়ন কৰি প্ৰথম ষাণ্মাসিকৰ পৰীক্ষাও সুকলমে সমাপন কৰিছে (স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ত)। গৱেষণাৰ কামো আৰম্ভ কৰাৰ প্ৰাৰম্ভিক প্ৰস্তুতি চলিছে। স্নাতকোত্তৰ ডিপ্লমা পাঠ্যক্ৰমো পৰ্যটন বিভাগ আৰু গণসংযোগ আৰু সাংবাদিকতা (অসমীয়া বিভাগত) এই শিক্ষাবৰ্ষৰ পৰা আৰম্ভ হ'ব বুলি ইতিমধ্যে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ঘোষণা কৰিছে।

বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনি এতিয়াও চালুকীয়া অৱস্থাতে আছে। বিশ্ববিদ্যালয়ৰ আদৰ্শ অটুট ৰাখিবলৈ উচ্চ পৰ্যায়ৰ চিন্তা আৰু কাৰ্যত ব্ৰতী হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিবলৈ চাৰিওফালৰ পৰা এক সন্মিলিত প্ৰচেষ্টা হাতত ল'ব লাগিব। বৰ্তমানৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা, উদ্যোগ, বাণিজ্য আৰু আন্তঃৰাষ্ট্ৰীয় ভাবৰ উন্মেষৰ লগে লগে নতুন নতুন ক্ষেত্ৰ আবিষ্কাৰৰ প্ৰয়োজন হৈছে। বিশ্ববিদ্যালয়খনৰ প্ৰতীকটো তাৎপৰ্যপূৰ্ণ হৈছে। পূৰ্বৰ বজালী কলেজৰ ধানৰ থোক (ear of paddy corn) প্ৰতীকটোৰ লগত বিষ্ণুপুৰাণৰ পৰা 'সা বিদ্যা বিমুক্তয়ে' (Se vidyaya vimuktaye) শ্লোকটো সংযোজন কৰা

হৈছে। ইয়াৰ অৰ্থ হৈছে জ্ঞানেই মুক্তিৰ পথ প্ৰশস্ত কৰে। (knowledge is that which liberates)

ঊনবিংশ শতিকাৰ ইংৰাজী সাহিত্যৰ এগৰাকী চিন্তানায়ক Cardinal Newman এ তেওঁৰ 'Idea of a university' ত উল্লেখ কৰিছে 'The university, by its very name professes to teach universal knowledge.' বিশ্ববিদ্যালয় শব্দটোৱে সূচায় যে বিশ্ববিদ্যালয়ে সদায়েই সাৰ্বজনীন শিক্ষাদান কৰিবলৈ প্ৰয়াস কৰে। উচ্চ শিক্ষা সম্পৰ্কত Edward Shils নামৰ এগৰাকী ব্যক্তিয়ে তেওঁৰ 'The Calling of Education' নামৰ গ্ৰন্থত উল্লেখ কৰিছে 'Knowledge languishes and fades if it is not cultivated by research. Teaching too languishes if it is not sustained by research' গৱেষণালব্ধ জ্ঞান হৈছে প্ৰকৃত জ্ঞান। গৱেষণা অবিহনে জ্ঞান মলঙি যায়। আমি আগ্ৰহেৰে বাট চাম ভট্টদেৱ বিশ্ববিদ্যালয়ে উন্নত মানৱ গুণগত শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰত পথপ্ৰদৰ্শকৰ ভূমিকা গ্ৰহণ কৰাত সফল হ'ব। সমাজখনক বৌদ্ধিক নেতৃত্ব দিয়া মানৱ সম্পদ সৃষ্টিত এই বিশ্ববিদ্যালয়খনে আগভাগ ল'ব পাৰিব বুলি আটায়ে আগ্ৰহেৰে বাট চাইছে। বিশ্ববিদ্যালয়ৰ শিক্ষা পাঠ্যক্ৰমৰ ভিতৰতে সীমাবদ্ধ নাথাকি ই সমাজৰ উন্নতিৰ বাটকটীয়া হ'ব লাগে। বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ দিগন্ত বহুমুখী হ'ব লাগে। নতুন বিশ্ববিদ্যালয়ত প্ৰত্যাহ্বান থাকিব। বিশ্ববিদ্যালয়খনৰ প্ৰথমগৰাকী উপাচাৰ্যৰ বৰ্ণিল যাত্ৰাত আমি আশাৰে বাট চাম, তেখেতে যাতে উদ্দেশ্যত সম্পূৰ্ণ সফল হ'ব পাৰে। এসময়ত বজালী মহাবিদ্যালয়ক দ্বিতীয় কটন বুলি কোৱা হৈছিল। মহাবিদ্যালয়ৰ পৰা উন্নীত হোৱা বিশ্ববিদ্যালয়খনে এখন আগশাৰীৰ বিশ্ববিদ্যালয় হিচাপে উন্নতিৰ জখলাত আগবাঢ়ি যাব পাৰিব— তাকেই কামনা কৰিছো। ভট্টদেৱ বিশ্ববিদ্যালয়ৰ এয়া আৰম্ভণি। বিশ্ববিদ্যালয় পৰিয়ালৰ এজন সদস্য হিচাপে বিশ্ববিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।■

(লেখক দেৱ প্ৰসাদ মিশ্ৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক)

**EXTENSION NOTICE**

The Bid process for the work **"Repairing & renovation of Hatibagra MPHC, Kamrup (M) for the Financial Year 2019-20."** issued vide press notice memo no. CS/GBD-II/14/2020-21/7915-